# 2015

## ASSAMESE

## ( Major )

### Paper : 3.2

### ( অসমীয়া সাহিত্যৰ বিশেষ অধ্যয়ন )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

তলৰ যি কোনো এটা শাখাৰ উত্তৰ দিয়া

### ক—শাখা

### ( শঙ্কৰদেৱ )

১। তলৰ প্ৰশ্নবোৰৰ অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) অজামিলৰ কনিষ্ঠ পুত্ৰৰ নাম কি আছিল?

(খ) প্ৰহ্লাদৰ শিক্ষাগুৰু কোন আছিল?

(গ) শঙ্কৰদেৱে 'কীৰ্তন'ৰ 'ৰাসক্ৰীড়া' খণ্ডটো কোনখন পুৰাণৰ পৰা গ্ৰহণ কৰিছে?

(ঘ) কৃষ্ণৰ ওচৰলৈ ৰুক্মিণীয়ে প্ৰেৰণ কৰা দূতজনৰ নাম কি আছিল ?

(ঙ) বৰগীতসমূহক ‘নব্ল নাম্বাৰছ’ বুলি কোনে কৈছে ?

(চ) কোনজনী পত্নীক লগত লৈ শ্ৰীকৃষ্ণই পাৰিজাত আনিবলৈ অমৰাৱতীলৈ গৈছিল ?

(ছ) “কীৰ্তন অসমৰ মৌচাক” বুলি কোনে কৈছে ?

(জ) হিৰণ্যাক্ষক কোনে বধ কৰিছিল ?

(ঝ) ভোজকূট কি ?

(ঞ) ইন্দ্ৰৰ পত্নীৰ নাম কি আছিল ?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) চাৰি সিদ্ধই অভিশাপ দিয়া দ্বাৰী দুজনৰ নাম কি আছিল ?

(খ) ‘ৰুক্মিণী-হৰণ’ কাব্যৰ উৎস গ্ৰন্থ দুখনৰ নাম কি ?

(গ) বৰগীতৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) ‘পাৰিজাত হৰণ’ নাটত শঙ্কৰদেৱে কোন দুটা স্বতন্ত্ৰ ঘটনা একেলগে সাঙুৰি লৈছে ?

(ঙ) শ্ৰীকৃষ্ণই কোন সময়ত আৰু কাৰ লগত ৰাসক্ৰীড়া কৰিছিল, উল্লেখ কৰা।





৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) ‘অজামিল উপাখ্যান’ত প্ৰকাশ পোৱা বিষ্ণুদূতৰ ৰূপৰ এটি বৰ্ণনা দিয়া।

(খ) ভক্ত হিচাপে প্ৰহ্লাদৰ চৰিত্ৰটো আলোচনা কৰা।

(গ) কৃষ্ণৰ বাঁহীত সু-স্বৰ মধুৰ গীতৰ ধ্বনি শুনি গোপীসকলে উত্ৰাৱল হৈ বনলৈ যাওঁতে কেনে অৱস্থা হৈছিল, তোমাৰ পাঠ্য ‘কীৰ্তন’ৰ ‘ৰাসক্ৰীড়া’ পাঠৰ আধাৰত এটি বৰ্ণনা দিয়া।

(ঘ) ‘ৰুক্মিণী-হৰণ’ কাব্যত বৰ্ণিত তোমাৰ ভাললগা দুটা নাৰী চৰিত্ৰৰ বিষয়ে লিখা আৰু ভাললগাৰ কাৰণ দৰ্শোৱা।

(ঙ) ‘নাৰায়ণ কাহে ভকতি কৰো তেৰা’ বৰগীতটোৰ মূল ভাবখিনি তোমাৰ ভাষাত লিখা।

(চ) ‘পাৰিজাত হৰণ’ নাটত হাস্যৰস কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(ছ) বৰগীতত শাস্ত্ৰীয় সুৰৰ গাম্ভীৰ্য বুলিলে কি বুজা? এই সম্পৰ্কে এটা নিবন্ধ প্ৰস্তুত কৰা।

৪। (ক) ভক্তি তত্ত্ব নিৰূপক গ্ৰন্থ হিচাপে ‘কীৰ্ত্তন-ঘোষা’ৰ এটি মূল্যায়ন কৰা। ১০

*নাইবা*

(খ) ‘ইটো কামজয় কৃষ্ণৰ কথা’ বুলি কোৱা কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰি তোমাৰ পাঠ্য ‘ৰাসক্ৰীড়া’ খণ্ডৰ আধাৰত এটি আলোচনা আগবঢ়োৱা। ১০

৫। (ক) ‘‘মহাপুৰুষ শঙ্কৰদেৱৰ বৰগীতত পৰমাৰ্থিক তত্ত্ব আৰু সংসাৰৰ প্ৰতি বিৰক্তি ভাৱ প্ৰকাশ পাইছে।’’ কথাষাৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰি এটি নিবন্ধ লিখা। ১০

*নাইবা*

(খ) ‘‘মানৱ জীৱন দুষ্প্ৰাপ্য অথচ ক্ষণভঙ্গুৰ আৰু মায়াময় হৰিভক্তি মোহাচ্ছন্ন জীৱন সমুদ্ৰত ধ্ৰুৱতৰা এয়ে নানা ভাৱ আৰু ভাষাত শঙ্কৰদেৱৰ বৰগীতবোৰৰ তাৎপৰ্য।’’ ড০ বাণীকান্ত কাকতিয়ে মহাপুৰুষৰ বৰগীত সম্পৰ্কে কৰা উক্ত মন্তব্য তোমাৰ পাঠ্যৰ অন্তৰ্গত বৰগীতকেইটাৰ সহায়ত বিশ্লেষণ কৰা। ১০

৬। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×২=২০

(ক) শঙ্কৰদেৱৰ ‘ৰুক্মিণী-হৰণ’ কাব্যত অসমীয়া সমাজৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

(খ) ‘‘অংকীয়া নাটসমূহ শ্লোক, গীত, কথাসূত্ৰ আৰু চৰিত্ৰৰ সংলাপ—এইকেইটা উপাদানৰ সমষ্টি।’’ কথাষাৰ বুজাই লিখা।

(গ) ‘‘শঙ্কৰদেৱৰ নাটসমূহৰ ভিতৰত নাটকীয় গুণলৈ দৃষ্টি ৰাখি ‘পাৰিজাত হৰণ’কে উৎকৃষ্ট বুলিব পাৰি।’’ কথাখিনি কিমানদূৰ যুক্তিযুক্ত? তোমাৰ অভিমত ব্যক্ত কৰি আলোচনা কৰা।





## খ—শাখা

### ( লক্ষ্মীনাথ বেজবৰুৱা )

১। তলৰ প্ৰশ্নবোৰৰ অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) বেজবৰুৱাৰ ‘সাধুকথাৰ কুকি’ পোনতে কোন চনত প্ৰকাশিত হৈছিল?

(খ) বেজবৰুৱাৰ প্ৰথম প্ৰকাশিত গল্প-পুথিখনৰ নাম কি?

(গ) ‘চোৰ’ গল্পত উল্লিখিত ইন্দুমতীৰ গিৰিয়েকৰ নাম কি?

(ঘ) ‘গীতা’ নামৰ গল্পটো বেজবৰুৱাৰ কোনখন পুথিত আছে?

(ঙ) ‘বাপিৰাম’ গল্পৰ সিধাই খাটনিয়াৰৰ ঘৰ ক’ত?

(চ) কৃপাবৰ বৰুৱাই প্ৰথমে কোনখন আলোচনীত আত্মপ্ৰকাশ কৰিছিল?

(ছ) ‘উদ্বোধন’ নিবন্ধটোত কঁকালৰ জোৰা ভাঙি কোনে জীউ ল’ব বুলি কৈছে?

(জ) চিয়ঁৰি, বাখৰি কি বস্তু উদ্ধাৰ নহয় বুলি বৰবৰুৱাই কৈছে?

(ঝ) বেজবৰুৱাৰ ‘কদম কলি’ প্ৰথম কোন চনত প্ৰকাশিত হৈছিল?

(ঞ) ‘ধনবৰ আৰু ৰতনী’ কোন শ্ৰেণীৰ কবিতা?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) বেজবৰুৱাই বঙালী সমাজৰ পটভূমিত লিখা দুটা গল্পৰ নাম লিখা।

(খ) বেজবৰুৱা 'আমালৈ নেপাহৰিব' গল্পটোত উল্লিখিত ছোৱালীজনীৰ ঘৰ ক'ত আছিল আৰু তেওঁৰ নাম কি আছিল?

(গ) "গাটো সোণ বৰণীয়া ওঁঠ কোৱা ভাতুৰীয়া
ডালিম গুটীয়া সৰু দাঁত।"

বেজবৰুৱাৰ কোন গল্পত উক্ত কবিতাফাঁকি উল্লেখ কৰা হৈছে? কাৰ ছোৱালীক লক্ষ্য কৰি কবিয়ে এনে কবিতা লিখিলেহেঁতেন?

(ঘ) বেজবৰুৱাৰ 'বন্দেমাতৰম্' গল্পটোৰ মূল চৰিত্ৰ আৰু পটভূমি চিহ্নিত কৰা।

(ঙ) বেজবৰুৱাৰ 'ভ্ৰম' কবিতাটোত প্ৰকাশ পোৱা দুটা ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্য উল্লেখ কৰা।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) 'স্বৰ্গাৰোহণ' গল্পটোৰ শিৰোনামৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(খ) 'মাধৈ মালতী' গল্পত বৰ্ণিত সনাতন আৰু মাধৈ মালতীৰ প্ৰেমৰ এটি চমু বৰ্ণনা দাঙি ধৰা।

(গ) 'কৃপাবৰ বৰুৱাৰ ওভতনি'ত সন্নিৱিষ্ট 'উদ্বোধন' কবিতাটোৰ ভাবাৰ্থ লিখা।





(ঘ) 'কৃপাবৰ বৰুৱাৰ ওভতনি'ত ব্যক্তি আৰু সমাজৰ সংমিশ্ৰণ কিদৰে ঘটিছে, আলোচনা কৰা।

(ঙ) 'প্ৰিয়তমাৰ সৌন্দৰ্য' কৱিতাটিত ৰোমাণ্টিক ভাব কিদৰে প্ৰকাশ পাইছে, বিশ্লেষণ কৰি দেখুওৱা।

(চ) 'আমালৈ নাপাহৰিব' গল্পত ফুটি উঠা কাৰুণ্যৰ গুৰুত্ব নিৰ্দেশ কৰা।

(ছ) 'অৱতাৰ' গল্পটোত উল্লিখিত ৰৰবৰুৱাৰ পুনৰ অৱতাৰৰ কাৰণসমূহ দৰ্শোৱা।

৪। (ক) "আখ্যানৰ আকৰ্ষণতকৈ সেই সময়ৰ সমাজৰ বিভিন্ন স্তৰৰ সজীৱ আৰু বাস্তৱ চৰিত্ৰসমূহে বেজবৰুৱাৰ গল্প মনোগ্ৰাহী কৰাত সহায় কৰিছে।". তোমাৰ পাঠ্য গল্পসমূহৰ আধাৰত উক্ত কথাখিনি বিচাৰ কৰি দেখুওৱা। ১০

*নাইবা*

(খ) "ব্যঙ্গাত্মক বা সংস্কাৰক মনোবৃত্তিৰ প্ৰাধান্য হেতুকে সুকুমাৰ অনুভূতিৰ প্ৰকাশ নাইবা মানসিক বিশ্লেষণৰ চেষ্টা তেওঁৰ গল্পত বিশেষকৈ দেখা নাযায়।" কথাখিনি তোমাৰ পাঠ্য গল্পসমূহৰ আধাৰত বিশ্লেষণ কৰা। ১০

৫। (ক) বেজবৰুৱাৰ 'কন্যা' গল্পটোত প্ৰকাশ পোৱা প্ৰাকৃতিক পৰিৱেশৰ বৰ্ণনা দিয়া আৰু জনজাতীয় কোল সমাজৰ পৰিচয় দাঙি ধৰা। ১০

*নাইবা*

(খ) 'জয়ন্তী' গল্পটোত জয়ন্তীয়ে কিদৰে উপস্থিত বুদ্ধি আৰু সাহসিকতাৰ পৰিচয় দি মানক প্ৰতিহত কৰিছিল তাৰ এটি বৰ্ণনা দাঙি ধৰা। ১০

৬। (ক) 'ভুৰকী বৌ' গল্পটোৰ আধাৰত সেই সময়ৰ অসমীয়া সমাজৰ চিত্ৰ কিদৰে ফুটি উঠিছে, আলোচনা কৰা। ১০

*নাইবা*

(খ) 'বাপিৰাম' গল্পত ব্যক্তিত্বৰ মহানুভৱতা কিদৰে ফুটি উঠিছে, আলোচনা কৰা। ১০

৭। (ক) ''লক্ষ্মীনাথ বেজবৰুৱা এগৰাকী ৰোমাণ্টিক কবি।'' তোমাৰ পাঠ্য কবিতাকেইটাৰ আধাৰত উক্ত কথাখিনিৰ সত্যতা প্ৰতিষ্ঠা কৰা। ১০

*নাইবা*

(খ) '' 'বীণ ৰ'ৱাগী' কবিতাটোত স্বদেশপ্ৰীতি আৰু বেদনাৰ মিশ্ৰ প্ৰভাৱে পাঠকৰ মন আন্দোলিত নকৰাকৈ নাথাকে।'' কথাখিনি তোমাৰ ভাষাত বুজাই লিখা। ১০

★★★